অধ্যায় ৯ ঃ মাধৱদেৱ — *নামঘোষা* - ২

অধ্যায় গাঁথনি

9.1 উদ্দেশ্য

9.2 পৰিচয়

9.3 *নামঘোষা* —মূল পাঠ (প্ৰথম 50 কূট ঘোষা)

9.3.1 সাধাৰণ আলোচনা

9.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

9.5 অধিক জানিবলৈ

9.6 অগ্ৰগতিৰ খতিয়ান

9.7 আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *নামঘোষা*ৰ প্ৰথম 50 কূট ঘোষাৰ বিষয়বস্তু সম্পৰ্কে অৱগত হ'ব
- *নামঘোষা*ৰ প্ৰথম 50 কূট ঘোষাৰ মাজত প্ৰতিফলিত মাধৱদেৱৰ ধৰ্ম তত্ত্ব সম্পৰ্কে আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি মাধৱদেৱৰ জীৱনৰ অন্যতম কৃতি *নামঘোষা* পুথিখনৰ বিষয়ে চমুকৈ অধ্যয়ন কৰিলে। গুৰুৰ আজ্ঞানুসৰি মাধৱদেৱে জীৱনৰ শেষভাগত *নামঘোষা* গ্ৰন্থখন ৰচনা কৰে। পাণ্ডিত্য আৰু সৃজনাত্মক মৌলিক প্ৰতিভাৰ অপূৰ্ব স্বাক্ষৰ *নামঘোষা* গ্ৰন্থখনি মাধৱদেৱৰ জীৱনজোৰা ভক্তি ধৰ্মক্ষেত্ৰ কৰ্ষণৰ সৰ্বোৎকৃষ্ট ফল। লগতে অধ্যায়টিত *নামঘোষা* গ্ৰন্থখনৰ তাত্ত্বিক দিশ সম্পৰ্কেও কিছু কথা অৱগত হ'ল। এইটো অধ্যায়ত আমি *নামঘোষা*ৰ প্ৰথম 50 কূট ঘোষা বিশেষভাৱে অধ্যয়ন কৰিম।

নামঘোষা গ্ৰন্থখনৰ প্ৰথম ৫০ কূট ঘোষাই 'ছবি' ছন্দত লিখিত। ভজন, নমস্কাৰ, উপদেশ আৰু নিন্দা— এই চাৰিটা ছেদত ঘোষা কেইটি বিভাজন কৰা হৈছে। ইয়াৰে 'ভজন'ত দুটা 'নমস্কাৰ'ত এটা, ৩৮টা ঘোষা উপদেশ আৰু আমি অধ্যয়ন কৰিবলগীয়া বাকী ঘোষা কেইটা নিন্দা। প্ৰসংগক্ৰমে উল্লেখ কৰি যাওঁ যে নিন্দা ছেদত আৰু কেইবাটাও ঘোষা আছিল যদিও আমাৰ পাঠ্যবিষয়ত সেয়া অন্তৰ্ভুক্ত নোহোৱাৰ বাবে আলোচনা কৰাৰ পৰা বিৰত থকা হ'ল। এই পাঠসমূহ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ সম্পাদনাত ২০০১ চনত ষ্টুডেণ্টচ্ ষ্ট'ৰচে প্ৰকাশ কৰা *কীৰ্ত্তন-ঘোষা আৰু নামঘোষা* গ্ৰন্থৰ পৰা চয়ন কৰা হৈছে। তলত ঘোষাসমূহৰ মূল পাঠ উল্লেখ কৰি বিশ্লেষণ আগবঢ়োৱা হ'ল।

৯.৩ নামঘোষা — মূল পাঠ (প্রথম ৫০ কূট ঘোষা)

শ্রীশ্রীকৃষ্ণায় নমঃ

ঘোষা—ছবি

ভজন

মুক্তিতো নিস্পৃহা জিতো সেহি ভকতক নমো
ৱসমঞি মগোহো ভকতি।
সমস্ত মস্তকমনি নিজ ভকতৱ বস্য
ভজো হেন দেৱ যদুপতি।। ১
জাৱ ৱামকৃষ্ণ নাম নাৱে ভৱ সিন্ধু তৰি
পাৱে পৱস্পদ পাপী জত।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদা
উপাসা কৱোহো হৃদয়ত।। ২

নমস্কাৱ

মৎস কুর্ম্ম নৱসিংহ বামন পৱসুৱাম
হলিৱাম বাৱাহ শ্রীৱাম।
বুদ্ধ কল্কি নামে দশ আকৃর্ত্তি ধৱিচা কৃষ্ণ
তযু পাৱে কৱোহো প্রনাম।। ৩

উপদেশ

একান্ত ভকটসবে নির্গুন কৃষ্ণৱ গুন
গাৱে সদা বসিয়া জথাত।
বৈকুণ্ঠকো পৱিহৰি যোগিৱো হৃদয় এড়ি
থাকা হৰি সাক্ষাতে তথাত।। ৪
কর্ম্মত বিশ্বাস জাৱ হিয়াত থাকন্তো হৰি
আতিসয় দুৱ হোন্ত তাৱ।
দুৱতো বিদুৱ হোন্ত তাৱ।
অহঙ্কাৱ থাকন্তেয়ো সাক্ষাতে কৃষ্ণক পাৱে
শ্রৱন কির্ত্তন ধর্ম্ম জাৱ।। ৫
জিতোজনে সুদ্ধভাৱে হৰিত সৱন লৈয়া
হৰিক সুহৃদ বুলি আচে।

হৰিৰ প্রসাদে সিতো বিঘ্নিৰ মুণ্ডত ভৰি
দিয়া হৰি গুন গায়া নাচে।। ৬
সকল নিগমলতা তাৰ অবিনাসি ফল
কৃষ্ণ নাম চৈতন্য স্বৰুপ।
সুমধুৰ সুমঙ্গল শ্রধায়ে হেলায়ে লৈয়া
নৰ মাত্র তৰৈ ভৱকুপ।। ৭
অব্যক্ত ইস্বৰ হৰি কিমতে পুজিবা তাঙ্ক
ব্যাপকত কিবা বিসর্জ্জন।
এতাৱন্ত মূর্ত্তি সুন্য কেনমতে চিন্তিবাহা
ৰাম বুলি সুদ্ধ কৰামন।। ৮
জিতোজনে কৃষ্ণকথা বিচাৰে সময়ে মনে
ধৈর্য ধৰি ক্ষনেক থাকয়।
জত তির্থ স্নান দান দেৱ পিতৃ জজ্ঞ জাগ
জোগাদিৱো ফলক পাৱয়।। ৯
জাৰ পুত্রসবে ঐত হৰিত শৰন লৈয়া
হৰি গুন গাৰৈ সুন্ধভাৱে।
দধি দুগ্ধ ঘৃত মধু নদিৰ জলক পিয়া
পিতৃগনে তৃপিতিক পাৱে।। ১০
সেহিসে সকলে সাস্ত্র পঢ়িলে শুনিলে সিসি
অনুস্থান সকলে কৰিল।
নিৰাসা ইস্বৰ কৃষ্ণ তাহাঙ্ক সমুখ ভৈল
আসাক জিজনে পিঠি দিল।। ১১
অপবিত্র জিতো আতি পবিত্র হোৱে বা জদি
সমস্তে অৱস্থা আছে পায়া।
কমললোচন জিতো সুমৰে তাৰেসে সুদ্ধ
বাহিৰে ভিতৰে হোৱে কায়া।। ১২
সেহিসে চতুৰ জিতো পুন্যৰ নিদান ভুত
নাৰায়ন নামক উচৰে।
অচতুৰ সিসি আতি পাপৰ নিদান ভুত
নামে অর্থবাদ জিতো কৰে।। ১৩
মহেসে বোলন্ত মোৰ ৰকাৰাদি নাম সুনি
পৰম প্রসন্ন হোৱৈ মন।

সুনিয়ো পার্ব্বতি মঞি মনত সঙ্কএু ৱঙ্গে
ৱাম বুলিবেক ইতোজন।। ১৪
কর্ণ পথে ভকটৱ হিয়াত প্রবেসি হৱি
দুর্ব্বাসনা হৱে সমস্তয়।
জলৱ জতেক মল জেহেন সৱত কালে
স্বভাৱতে নির্ম্মল কৱয়।। ১৫
হুয়া দেৱ দিগম্বৱ ভস্মে বিভুষিত অঙ্গ
শিৱত ধৱিছা জটাভাৱ।
মহেশে সেৱন্ত জাক হেন হৱি বিনে আন
কোন শ্রেষ্ঠ দেৱ আছে আৱ।। ১৬
ব্রহ্মা আদি দেৱগনে নিশ্বল সম্পতি মনে
লক্ষ্মীক সেৱন্ত তপকৱি।
লক্ষ্মীয়ো সেৱন্ত জাক হেন মহেশ্বৱ বিষ্ণু
আন কোন দেৱ তাঙ্গ সৱি।। ১৭
সমস্ত বেদান্ত সাৱ শ্রীভাগৱত সাস্ত্র
ইহাৱ অমৃত ৱস পাই।
পৱম সন্তোসে পান কৱিলে জিজনে তাৱ
অন্যত্র ৱসত ৱতি নাই।। ১৮
মহাভাগৱত ৱস মাধৱৱ নাম যশ
আক পান কৱিল জিজনে।
কৃষ্ণৱ চৱনে চিত্ত দিয়া মোক্ষ আদি ৱসে
ৱতি আৱ নকৱয় মনে।। ১৯
কৃষ্ণৱ নামক সদা কীর্ত্তন কৱয় জিতো
মনে দৃঢ় কৱিয়া নিশ্বয়।
নিস্কাম হোক বা যদি সকাম হোৱয় তাক
কদাচিতো কলি নবাধয়।। ২০
চাণ্ডাল পর্যন্ত কৱি জগতৱ উপকাৱি
নাহি নাম গুন বিনে আন।
সেহিসে কাৱনে হৱি নিজ যশ প্রিয় ভৈল
ভগৱন্ত ভকতৱ প্রান।। ২১
যিহেতু চৈতন্য পূর্ন পৱমাত্মাৱুপে হৱি
হৃদয়ত আচন্ত প্রকাশি।

তাতেসে ইন্দ্রিয়গন ভুত প্রান বুদ্ধি মন
প্রবর্ত্তে যতেক জড় ৰাশি।। ২২
ৰাম কৃষ্ণ হৰি নাম সর্ব্ব ধর্ম্ম অনুপাম
সকল নিগম তত্বসাৰ।
যাত পৰে ধর্ম্ম নাহি আৰ।
হেন নাম নুসুমৰি কমন ভাৱসা কৰি
ৰৈয়া আছা ভৱ তৰিবাৰ।। ২৩
বিষ্ণু পাদোদকিগঙ্গা মহেশে সহিতে ইতো
জগতকে পবিত্র কৱয়।
হেন কৃষ্ণ বিনে কোন ভগৱন্ত হেন ইতো
শবদৰ স্বৰুপ আচয়।। ২৪
পুন্য অৱন্যৰ মাঝে মাধৱৰ নাম সিংহ
প্রকাশ কৱয় আতি বড়ে।
যাৰ ধ্বনি শুনি ভয়ে মহাপাপহস্তিচয়
পলাই আতি ত্রাসত লৱড়ে।। ২৫
আপুনি আপোন বন্ধু আপুনি আপোন শত্রু
আপুনি আপোন ৰাখে মৰে।
হৰিক নভজি নৰে আপুনি হোৱয় নষ্ট
হৰি ভজি আপোনাক তাৰে।। ২৬
দুর্ল্লভ মনুস্য তনু লভিয়া পশুৰ যোগ্য
বিষয়ৰ আশা পৰিহৰা।
সন্তৰ সঙ্গত বসি সুখে হৰি গুন গায়া
সন্তোষ অমৃত পান কৰা।। ২৭
হৰি নাম কীর্ত্তনত নাহি কাল দেশ পাত্র
নিয়ম সংযম একো বিধি।
হৰিত শৰন লৈয়া কেৱলে হৰিৰ নাম
কীর্ত্তন কৱন্তে হোৱে সিদ্ধি।। ২৮
বিষয় সম্বন্ধ সুখ সমস্ত যোনিত পাই
হৰি সেৱা একো থানে নাই।
হৰিৰ সেৱাৰ যোগ্য কেৱলে মনুস্য তনু
জানি ফুৰা হৰি গুন গাই।। ২৯
মৃত্যুৰ মুখত পৰি আছে যিতো সিতো নৰে
হৰি গুন কীর্ত্তন নকৰে।

মৃত্যু তৰিবাৰ জানা নাহিকে উপায় আন
হৰি নাম কীৰ্ত্তনত পৰে।।৩০
মৃত্যু তৰিবাৰ আন আচয় উপায় জত
বিঘিনি দুসিত নিৰন্তৰে।
বিঘিনি ৰহিত যত মাধৱৰ গুন কৰ্ম্ম
কীৰ্ত্তন কৰিয়া সুখে তৰে।।৩১
লুব্ধ মতি মনুস্যৰ হৰি কিৰ্ত্তনত পৰে
নাহিকে ৰহস্য বিত্ত আৰ।
আন আশা পৰিহৰি মাধৱক মনে ধৰি
হৰিৰ কিৰ্ত্তন কৰা সাৰ।।৩২
শুনা পৰমার্থ তত্ত্ব শ্রীমন্ত শঙ্কৰ মত
ধৰিয়োক সজ্জন সকল।
হৰিৰ কিৰ্ত্তন কৰি সুখে সংসাৰক তৰি
পাইবা ভক্তি পৰম নিৰ্ম্মল।।৩৩
শুনা সভাসদচয় নেৰিবা সাস্ত্রৰ নয়
হৰিগুন ভাগৱত সাৰ।
সাধু সঙ্গ অনুসৰা শ্রৱন কীৰ্ত্তন কৰা
পৰিহৰা পাসণ্ড আচাৰ।।৩৪
বৈৰাগ্যত পৰে ভাগ্য নাহি প্রবোধত পৰে
সুখ আৰ নাহি পুৰুসৰ।
হৰিবিনে পৰিত্রান কর্ত্তা আৰ নাহি জানা
ৰিপু নাহি সংসাৰত পৰ।।৩৫
লক্ষ্মিপতি ভগৱন্ত যাহাৰ প্রসন্ন ভৈল
তাহাৰ দুর্ল্লভ কিছু নাই।
নাৰায়ন পৰ ভৈলে তথাপি কিঞ্চিতো আন
নবাঞ্চয় সেৱা সুখ পাই।।৩৬
কৃষ্ণৰ হৃদয় চাৰু লক্ষ্মীৰ নিবাস স্থান
মুখ নয়নৰ পান পাত্র।
দিগপাল সমস্তৰ আশ্রয় কৃষ্ণৰ বাহু
ভকতৰ পাদ পদ্ম মাত্র।।৩৭
পৰম ইস্বৰ দেৱ কৃষ্ণক নপাই লাগ
তপ জপ যাগ যজ্ঞ দানে।

একান্ত ভক্তৰ পদ ৰেনু শুদ্ধ চিত্তে মাথে
অভিসেক নকৰয় মানে।। ৩৮
গ্রাম্যকথা বিনাসন উত্তম শ্লোকৰ গুন
প্রসৱয় সাধুৰ সঙ্গত।
তাক অনুদিনে জিতো সেৱে তাৰ সতি মতি
হোৱে বাসুদেৱ চৰনত।। ৩৯
সেহিসে দিনক ভাই দুর্দ্দিন বুলিয়া মানি
মেঘাচ্চর্ন নোহয় দুর্দ্দিন।
হৰিকথা অমৃতৰ সম্যেকে আলাসৰসে
জিতো দিন হোৱয় বিহিন।। ৪০
আত্মা ইস্বৰক লাগ প্রত্যক্ষে সততে পাই
নপাই জানা তাঙ্গ অবিদ্যাত।
অবিদ্যা নসিলে লাগ কৃষ্ণক পাৱই যেন
কণ্ঠলগ্ন বস্তুক সাক্ষাত।। ৪১

নিন্দা

নাৰায়ন হেন ইতো শৱদ আচন্ত মুখে
বশবর্ত্তি বচন আচয়।
তথাপি অদ্ভুত কিনো ঘোৰ নৰকত মজি
মলমতি মনুস্য মৰয়।। ৪২
তর্ক্ক শাস্ত্র মহাব্যাঘ্রি তাহাত নিপুন পতি
তাৰ শিষ্য ভৈল পুত্র প্রাই।
সংসাৰ বনত পসি পতি পুত্র সমন্বিতে
উপনিষৎ ধেনু ধৰি খাই।। ৪৩
সর্ব্বশ্রুতি শিৰোৰত্ন ভাগৱত বন মাঝে
হৰি নাম সিংহ প্রকাসয়।
তাৰ মহাধ্বনি সুনি নিজ পৰিবাৰ সমে
তর্ক্ক ব্যাঘ্রি পলাই হুয়া ভই।। ৪৪
স্মৰহু গোবিন্দ মুঢ় বোলহু গোবিন্দ মুঢ়
ভজহু গোবিন্দ সর্ব্বক্ষনে।
মৰন সন্নিতে পাইলে গোবিন্দেসে ৰাখিবন্ত
নৰাখিবে ডুকৃঞ কৰনে।। ৪৫

ইস্বৰ কৃষ্ণক জিতো অন্য দেৱতাৰ সম
বোলয় অধম মুঢ়মতি।
চৌৰাসি নৰক ভুঞ্জি পাপৰ যোনিত সিতো
অৱস্যে হুইবেক উতপতি।। ৪৬
মায়া আদি কৰি জত সমস্তে জগত জড়
কৃষ্ণেসে চৈতন্য আত্মা সুদ্ধ।
চৈতন্য কৃষ্ণক এড়ি জড়ক ভজিয়া মৰে
কিনো লোক অধম মুণ্ডধ।। ৪৭
তপ জপ তীর্থ ব্রত যাগ যোগ যজ্ঞদান
কাকো নুসুমৰে মৃত্যুবেলা।
মৰন্তাজনক বেঢ়ি বোলে সবে ৰাম বোলা
হেন নাম এতিক্ষনে হেলা।। ৪৮
পৰলোক সময়ৰ বান্ধৱ হৰিৰ নাম
সব এড়ি যিহেতু সুমৰে।
এতিক্ষনে কি কাৰনে হেনয় হৰিৰ নাম
মলমতি নৰে নুসুমৰে।। ৪৯
দুর্ঘোৰ সংসাৰ ইতো ব্যাধিৰ ঔষধ মহা
তেজি হৰি নামক সম্প্রতি।
কমন উপায়ে আন পণ্ডিত সকলে আবে
লভিবেক আপুন মুকুতি।। ৫০

৯.৩.১ সাধাৰণ আলোচনা

অধ্যায়টোৰ পৰিচয় অংশতেই আমি উল্লেখ কৰি আহিছোঁ যে আমাৰ পাঠ্যবিষয়ত অন্তর্গত ৫০ কূট ঘোষাই ভজন, নমস্কাৰ, উপদেশ আৰু নিন্দা— এই চাৰিটা ছেদত ঘোষা কেইটি বিভাজিত আৰু সকলো ঘোষাই ছবি ছন্দত লিখা হৈছে। প্রথম দুটা ঘোষা 'ভজন' বুলি উল্লেখ কৰা হৈছে। ভজন শব্দটোৱেই আমাক ধাৰণা প্রদান কৰে যে ইয়াত কৰোবাৰ উপাসনা কৰা হ'ব। এই ছেদতেই মাধৱদেৱে গুৰু শঙ্কৰদেৱৰ ধর্মীয় আদর্শৰ দেৱ, নাম, ভকত — এই ত্রিতত্ত্বক দৃঢ় আৰু স্পষ্টভাৱে স্থিৰ কৰি লৈছে। মন কৰিবলগীয়া, এই ঘোষাটিত কিন্তু এই ত্রিতত্ত্বৰ ক্রম ভকত, দেৱ আৰু নাম — এই ৰূপেহে নিৰূপণ কৰা হৈছে। 'ভকত' তত্ত্বৰ এই অগ্রাধিকাৰ তাৎপর্যপূর্ণ। মুক্তিকো যিজনে তুচ্ছ কৰিব পাৰে, মুক্তিতো যি উদাসীন তেনেজন ভকতকহে আৰম্ভণিতে নমো (প্রণাম কৰোঁ) কৰা হৈছে। নাম ৰস বা সেৱা ৰসৰ মধুসুধা পাণ কৰি চিত্তনির্মল

কৰাজনেহে মুক্তিক তুচ্চজ্ঞান কৰিব পাৰে। সেইবাবেই 'ভকত'ৰ লগে লগে আহিছে — 'ৱসময় ভক্তি' প্রার্থনা। দ্বিতীয়তে দেৱ যদুপতিৰ ভজনা। যদুবংশৰ অধিপতি যদুপতি। তেওঁ দেৱতা — 'দেৱ যদুপতি'। কিন্তু তেওঁ "সমস্ত মস্তকমনি নিজ ভকতৰ বশ্য।" অর্থাৎ অৱতাৰী। ইয়াতেই কৃষ্ণ আৰু পৰমব্রহ্মক অভিন্ন, একাকাৰ কৰি লোৱা হৈছে। পৰৱর্তী সময়ত কৃষ্ণ-বিষ্ণুৰ এই ঐক্যসত্তাৰ অনুভৱক অধিক স্পষ্ট কৰি তোলা হৈছে। ভক্তবৎসলা গুণৰ বাবে উপাস্যজন নির্গুণ হৈও সগুণ অৱতাৰী। মন কৰিব যে *নামঘোষা*ৰ 'উপদেশ' ছেদত নির্গুণ ব্রহ্মক নানা সগুণ বিশেষণেৰে বন্দনা কৰিছে; কিন্তু মাধৱদেৱৰ লক্ষ্য নির্গুণ পৰমব্রহ্মহে। সেইবাবে মূর্তিশূন্য উপাস্যজনৰ নির্গুণ নামবস্তুত অত্যধিক গুৰুত্ব দিয়া হৈছে। কাৰণ এই ৰাম-কৃষ্ণ নাম নৌকাৰেহে কেৱল পাপীসকলেও ভৱ সিন্ধু (সংসাৰ, মায়া) পাৰ হ'ব পাৰে।

তিনি নম্বৰ ঘোষাটো 'নমস্কাৰ' ছেদত অন্তর্ভুক্ত কৰা হৈছে। ইয়াত ভগৱান কৃষ্ণৰ প্রধান দশ অৱতাৰৰ উল্লেখ কৰা হৈছে— মৎস, কুর্ম, নৰসিংহ, বামন, পৰশুৰাম, হলিৰাম, বৰাহ, শ্রীৰাম, বুদ্ধ আৰু কল্কি। ইয়াৰ মাজেদি অৱতাৰবাদৰ প্রসংগও উত্থাপন কৰা হৈছে।

ইয়াৰ পাছৰ 38 টা ঘোষা 'উপদেশ' শীর্ষক ছেদৰ অন্তর্ভুক্ত। উপদেশ শব্দটোৱেই আমাৰ বোধ জন্মায় যে ইয়াত উপদেশধর্মী কথাই প্রাধান্য লাভ কৰিব। এই ছেদটোত কঠিন গভীৰ তত্ত্বকথাৰ স্বচ্ছন্ন, সৰল আৰু ৰসাল উপস্থাপন কৰা হৈছে আৰু সেয়া পৰোক্ষভাৱে উপদেশমূলক। উপদেশ ছেদৰ আৰম্ভণিতে পূর্বোল্লেখিত নির্গুণ কৃষ্ণৰ গুণ প্রসঙ্গ আহিছে। স্বাভাৱিকতে ই বিৰোধাত্মক। 'নির্গুণ' অথচ সেই নির্গুণৰ গুণ গান কৰা। *নামঘোষা*তে আছে "তযু গুণ নাম কেৱল নির্গুণ মাত্র" — নির্গুণ নামৰ দ্বাৰা নির্গুণৰ উপলব্ধি। নির্গুণ হৈ তেওঁ লীলাবিহাৰী, ভক্তবৎসল, ৰক্ষাকাৰী আৰু আনন্দৰ সিন্ধুস্বৰূপ। সগুণ-নির্গুণ এই তত্ত্বৰ জটিলতালৈ নগৈ মাধৱদেৱে সৰলভাৱে নানা বিশেষণেৰে নির্গুণৰ উপাসনা কৰিছে। এইটো ঘোষাতে একান্ত ভকতসৱৰ স্থান তাৎপর্যপূর্ণ। সামূহিক শ্রৱণ-কীর্তনৰ থলী বৈকুণ্ঠপুৰী বা ব্যক্তিগতভাৱে উপাসনা কৰা যোগীৰ হৃদয়তকৈ ভগৱন্তৰ বেছি আদৰৰ।

পঞ্চম ঘোষাত 'কর্ম'ৰ বিষয়ে বিশ্লেষণ আগবঢ়োৱা হৈছে। কর্মই কর্মকাণ্ডৰ কথাহে বুজাইছে। একেদৰে অহংকাৰ মানেও গর্ব নহয়, স্বসত্তাৰ প্রতি সজাগতাহে। কর্ম মার্গৰে ভগৱন্তক পাব নোৱাৰি। শ্রৱণ-কীর্তনেৰে আত্মসত্তাৰ প্রতি সচেতন থকাজনেও ভগৱন্তক পাব পাৰে বুলি এই ঘোষাটোত বুজোৱা হৈছে।

ষষ্ঠ আৰু সপ্তম ঘোষাটিত আলংকাৰিক শব্দচয়নেৰে নামৰ বন্দনা কৰা হৈছে। এই ভৱকূপৰ পৰা পৰিত্রাণৰ বাবেই 'কৃষ্ণ নাম' ল'ব লাগিব। এই কথাকেই প্রতিপন্ন কৰিছে ইয়াত। অষ্টম ঘোষাটিত ঈশ্বৰ অব্যক্ত, অপ্রকাশমান, সেইবাবে মূর্তিশূন্য বুলি কোৱা হৈছে। কিন্তু তেওঁ এনেদৰেই যে সর্বত্রে বিৰাজমান, তেওঁক বিসর্জন দিয়া বা

এৰাই চলাৰ উপায় নাই। সেইবাবে তেৰাৰ নাম লৈ (ৰাম বুলি) চিত্ত শুদ্ধ কৰা। এই সর্ব্বাপ্তচাৰ বাবেই তেওঁৰ নানা বিশেষণৰ তাৎপর্য আছে।

নৱম-দশম ঘোষাত কর্ম মার্গৰ পিণ্ডাদি কর্মৰ অর্থহীনতা আৰু নামৰ দ্বাৰা সেই উদ্দেশ্য সাধনৰ কথা কৈছে। পুত্রই শুদ্ধচিত্তে হৰিনাম ললেই মৃত পিতৃয়ে পিণ্ডৰ সমস্ত সুস্বাদু সম্ভাৰৰ তৃপ্তি পায়। একাদশৰ পৰা ত্রয়োদশ ঘোষাত কৃষ্ণক কেনেদৰে শুদ্ধচিত্তে লাভ কৰিব পৰি সেয়া বর্ণনা কৰা হৈছে। চৈধ্য নং ঘোষাত শিৱ আদি দেৱতাৰ মাজত কৃষ্ণৰ বর্ণনা আছে। শিৱই কৈছে 'ৰ' বর্ণটো শুনাৰ লগে লগে মোৰ মন পৰম প্রসন্ন হৈ উঠে। শুনা পার্বতী তাৰ কাৰণ কওঁ। মই মনতে মই অনুমান কৰো তেওঁ যেন ৰাম বুলি ক'ব। ঠিক সেইদৰে পোন্ধৰৰ পৰা সোতৰ নম্বৰ ঘোষালৈকে উপাস্য উপাসকৰ সম্বন্ধৰে সর্বদেৱতাৰ মাজত কৃষ্ণ-বিষ্ণুৰ শ্রেষ্ঠ প্রতিপন্ন কৰা হৈছে।

ঘোষাত কৃষ্ণ নাম কীর্তনৰ সর্বোত্তম গ্রন্থ *ভাগৱতৰ* প্রশংসা আছে ওঠৰ-উনৈশ নম্বৰ ঘোষাত। কৃষ্ণ নামৰ শ্রৱণ-কীর্তনৰ গুণৰ বিষয়ে পুনৰ বর্ণনা কৰিছে বিশৰ পৰা বাইশ নং ঘোষালৈকে। তেইশ নম্বৰ ঘোষাত নিগম তত্ত্বৰ সাৰ স্বৰূপ সকলো ধর্মতকৈও অনুপম হৰিনাম নলৈ সংসাৰ যে পাৰ হ'ব নোৱাৰি, তাক খেদ ভৰা উক্তিৰে উল্লেখ কৰিছে। ঠিক সেইদৰে চৌৱিশ নম্বৰ ঘোষাত বিষ্ণু পদতলৰ পৰা নিসৃত গংগাই জগতক পবিত্র কৰে, গতিকে সেই বিষ্ণুতকৈ আন কোন শ্রেষ্ঠ আছে বুলি মত পোষণ কৰিছে। পঁচিশ-ছাবিছ নম্বৰ ঘোষাত নামসিংহৰ প্রসংগ উল্লেখ কৰি ইয়াৰ প্রভাৱত 'মহাপাপীহস্তিচয়' পলাই বুলি কৈ হৰি নামৰ শ্রেষ্ঠত্ব ঘোষণা কৰিছে। সাতাইশ আৰু আঠাইশ নম্বৰ ঘোষাত অনিত্য সংসাৰ সুখৰ বিপৰীতে সেৱামুখৰ মহত্ত্ব ঘোষণা কৰি উনত্রিশ নম্বৰ ঘোষাত এই সেৱাসুখৰ উপায় নামৰসৰ বাদে যে কোনো নিয়ম-নীতি, দেশ-কাল-পাত্রৰ বিচাৰ নাই, কেৱল কীর্তনেই সর্বস্ব সেই কথা কোৱা হৈছে। ত্রিশ আৰু একত্রিশ নং ঘোষাত এটা তাৎপর্যপূর্ণ কথা কোৱা হৈছে।ৰাম-নাম বিঘিনি শূন্য, অর্থাৎ যাগ-যজ্ঞ, পূজা-পার্বণ আদি আবৰণত বিনিময়ৰ হানি বা ত্রুটি হ'লে বিঘিনি হ'ব পাৰে, কিন্তু ৰাম নামত তেওঁ শংকা নাই। সেই গুনেই সি মৃত্যু তৰিবাৰ উৎকৃষ্ট মার্গ। বত্রিশ নম্বৰ ঘোষাৰ পৰা এই ছেদটোৰ শেষলৈকে প্রত্যক্ষ উপদেশ দেখা যায় আৰু তাৰ লগে লগে শংঙ্কৰদেৱৰ প্রসঙ্গও উত্থাপন কৰিছে। অর্থাৎ শঙ্কৰদেৱৰ পথ ধৰি ভক্তি মার্গ ল'বলৈ প্রত্যক্ষভাৱে উপদেশ দিছে। ইয়াৰে ভিতৰত উল্লেখযোগ্য হ'ল আঠত্রিশ নম্বৰ ঘোষাত একান্ত ভক্তৰ পদৰেণুৰে নিজৰ শিৰ শুদ্ধ চিত্তে অভিষেক নকৰা পর্যন্ত তপ জপ যাগ যোগ দানেৰে কৃষ্ণক পাব নোৱাৰি বুলি মত পোষণ কৰা হৈছে আৰু সর্বশেষত একচল্লিশ নম্বৰ ঘোষাত মায়ামর্দনকাৰী ৰূপত ভগৱন্তৰ বর্ণনাৰে উপদেশ ছেদ সামৰা হৈছে।

আমি অধ্যয়ন কৰিবলগীয়া শেষৰ ন কূট ঘোষা 'নিন্দা' শীর্ষক ছেদৰ অন্তর্গত। ভক্তিৰ প্রাৰম্ভিক প্রয়োজনেই হৈছে আত্ম উপলব্ধি। মাধৱদেৱে *নামঘোষাত* অনুশোচনা, শঙ্কা, খেদ, আত্মনিন্দা, নিন্দা, বিৰক্তি আদি পৰিচ্ছেদৰ ঘোষাসমূহত আত্মোলব্ধিৰ সহায়ত

নিজৰ হীনতা, অজ্ঞানতা দূৰ কৰি পৰম পুৰুষৰ মহত্ব উপলব্ধি কৰি ভগৱন্তৰ চৰণত আত্মসমর্পণৰ ওপৰত বিশেষ গুৰুত্ব দিছে। আত্ম উপলব্ধিবেহে আত্মনিন্দা সম্ভৱ। এই আত্মনিন্দাই মনৰ মল দূৰ কৰে আৰু পৰমার্থতত্ত্ব লাভৰ পথ প্রশস্ত কৰে। আত্মনিন্দাই মানৱক আত্মসচেতন কৰে, পৰমপদৰ সন্ধান দিয়ে আৰু ঈশ্বৰ প্রাপ্তি সম্ভৱ কৰি তোলে। এই কথাকেই আমি অধ্যয়ন কৰিবলগীয়া ঘোষা কেইকূটৰ মাজতো প্রকাশ কৰা হৈছে। সংসাৰ সাগৰত নাৰায়ণ শব্দ মুখত থকাৰ পাচতো মানুহ যে সংসাৰৰ ঘোৰ নৰকত মজি থাকে সেই কথা অদ্ভুত বুলি কৈছে 42 নম্বৰ ঘোষাত। উপমা মণ্ডিত ভাষাৰে সর্বশাস্ত্রৰ ভিতৰত *ভাগৱতৰ* শ্রেষ্ঠত্বৰ কথা ঘোষণা কৰিছে বিয়াল্লিশৰ পৰা চৌৰাল্লিশ নম্বৰ ঘোষাত। কৃষ্ণৰ আন এটা নাম 'গোবিন্দ' প্রথমবাৰৰ বাবে উল্লেখ কৰি মৰণৰ সময়তো যে তেওঁহে ৰাখিব এনে ধাৰণা প্রকাশ কৰিছে পঞ্চল্লিশ নম্বৰ ঘোষাত। ইয়াৰ পাচৰ পৰা আমি অধ্যয়ন কৰিবলগীয়া পঞ্চাশ নম্বৰ ঘোষালৈকে কৃষ্ণৰ শ্রেষ্ঠত্ব ঘোষণা কৰি মায়াময় জগতৰ পৰা হাত সাৰিবলৈ তেওঁতেই নিজকে অর্পণ কৰাৰ কথা ব্যক্ত কৰিছে। লগতে মূঢ়মতি মানৱৰ আত্ম উপলদ্ধিৰ জ্ঞান প্রদান কৰিবলৈ যত্ন কৰা হৈছে।

মন কৰিবলগীয়া যে আমাৰ পাঠ্যবিষয়ত অন্তর্ভুক্ত ঘোষাখিনিত ভক্ত মাধৱদেৱতকৈ তত্ত্বদর্শী সুপণ্ডিত মাধৱদেৱজনহে ভুমুকি মাৰিছে। নৱ-বৈষ্ণৱ ধর্মৰ মূল তত্ত্বৰ লগতে সেই দিশত পালন কৰিবলগা নীতি-উপদেশ আৰু তাৰ মাজে মাজে প্রার্থনাসূচক সেৱাৰসৰ কথাও প্রকাশ কৰা হৈছে এই অংশটিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ *নামঘোষাত* ভগৱান কৃষ্ণৰ কোন কেইটা অৱতাৰৰ নাম উল্লেখ আছে?

.....

প্রশ্ন নং ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

(ক) ভজন, নমস্কাৰ, উপদেশ ছেদৰ ঘোষা দুলড়ি ছন্দত লিখা হৈছে।

(খ) ভক্তিৰ প্রাৰম্ভিক প্রয়োজনেই হৈছে আত্ম উপলব্ধি।

.....



৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *নামঘোষা* গ্রন্থখনৰ প্রথম ৫০ কূট ঘোষাই 'ছবি' ছন্দত লিখিত। ভজন, নমস্কাৰ, উপদেশ

আৰু নিন্দা— এই চাৰিটা ছেদত ঘোষা কেইটি বিভাজন কৰা হৈছে। ইয়াৰে 'ভজন'ত দুই কূট, 'নমস্কাৰ'ত একূট, ৩৮ কূট ঘোষা উপদেশ আৰু আমি অধ্যয়ন কৰা বাকী ন কূট ঘোষা 'নিন্দা'ৰ অন্তৰ্গত।

- আমি অধ্যয়ন কৰা ঘোষাখিনিত ভক্ত মাধৱদেৱতকৈ তত্ত্বদর্শী সুপণ্ডিত মাধৱদেৱজনহে ভুমুকি মাৰিছে। নৱ-বৈষ্ণৱ ধর্মৰ মূল তত্ত্বৰ লগতে সেই দিশত পালন কৰিবলগা নীতি-উপদেশ আৰু তাৰ মাজে মাজে প্রার্থনাসূচক সেৱাৰসৰ কথাও প্রকাশ কৰা হৈছে এই অংশটিত। অধ্যায়টোত প্রতি কূট ঘোষাৰে মূল কথাখিনিও উল্লেখ কৰা হৈছে।



৯.৫ অধিক জানিবলৈ

1) কাকতি, বাণীকান্ত (2006); *বাণীকান্ত ৰচনাৱলী, অসমীয়া খণ্ড;* গুৱাহাটী ঃ অসম সাহিত্য সভা।

২) গোস্বামী, নাৰায়ণ চন্দ্র (২০০১); *কীর্ত্তন-ঘোষা আৰু নামঘোষা;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ।

৩) চলিহা, ভৱ প্রসাদ (সম্পা) (১৯৮৯); *মাধৱদেৱ আৰু সংস্কৃতি* ঃ শ্রীমন্ত শংকৰদেৱ সংঘ।

৪) দত্ত, অনিমা (২০০৩); *অসমৰ বৈষ্ণৱ সাহিত্য আৰু দর্শন;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৫) দত্ত বৰুৱা, হৰিনাৰায়ণ (১৯৭০); *সটীক নামঘোষা;* গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

৬) দাস, ইলাৰাম (২০১৪); *নামঘোষা ৰসামৃত কৃষ্ণ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৭) দাস, কৈলাশ আৰু কলিতা মৰল, ৰজিতা (সম্পা.)(২০০৬); *অসমীয়া ভক্তি সাহিত্য;* শ্রীমন্ত শংকৰদেৱ সংঘ।

৮) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৯) নেওগ, মহেশ্বৰ (সম্পা.) (১৯৯৭); *কীর্তন-ঘোষা আৰু নামঘোষা;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১০) নেওগ, মহেশ্বৰ (১৯৮৯); *শ্রীশ্রীমাধৱদেৱ* ঃ শ্রীমন্ত শংকৰদেৱ সংঘ।

১১) নাথ, প্রফুল্ল কুমাৰ (২০১২); *ভক্তি মার্গ আৰু ভাৰতীয় ভক্তি সাহিত্যত এভুমুকি;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১২) বর্মন, শিৱনাথ (সম্পা.) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, ২য় খণ্ড;* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা সংস্কৃতি সংস্থা।

১৩) মজুমদাৰ, বিমল (১৯৯৯); *ভক্তিসাহিত্য;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

14] মহন্ত, কেশদা [1996] Ê, *নামঘোষা তত্ত্বদর্শন;* গুৱাহাটী।

১৫) শইকীয়া, পূর্ণানন্দ (১৯৯০); *মাধৱদেৱ ভক্তি সাহিত্য;* গুৱাহাটী ঃ বৰা প্রকাশন।

16] শর্মা, তীর্থনাথ (1989); *পঞ্চপুষ্প;* গুৱাহাটী ঃ শ্রীমতি নির্ম্মলা দেৱী।

১৭) শর্মা,সত্যেন্দ্রনাথ (২০১৪); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১৮) শালৈ,পদ্মৱাম (১৯৯৭); *ভক্তিধর্ম আৰু ভক্তি কাব্যত এভুমুকি;* গুৱাহাটী বিশ্ববিদ্যালয় ঃ ছার্ভিছ বুক ছেল্‌ছ।



৯.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ *নামঘোষাত* ভগৱান কৃষ্ণৰ ক্রমে— মৎস, কুর্ম, নৰসিংহ, বামন, পৰশুৱাম, হলিৱাম, বৰাহ, শ্রীৱাম, বুদ্ধ আৰু কল্কি অৱতাৰৰ কথা উল্লেখ আছে।

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ।



৯.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

(ক) কৃষ্ণৰ 'গোবিন্দ' নামটো প্রথমবাৰৰ বাবে কোনটো ঘোষাত উল্লেখ কৰা হৈছে?

(খ) কি নৌকাৰেহে পাপীসকলেও ভৱ সিন্ধু (সংসাৰ, মায়া) পাৰ হ'ব পাৰে?

(গ) ওঠৰ-উনৈশ নম্বৰ ঘোষাৰ বিষয়বস্তু কি?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ আপোনাৰ পাঠ্যবিষয়ত অন্তর্ভুক্ত 'নিন্দা' অংশৰ ঘোষা কেইটাৰ বিষয়বস্তু সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ২ ঃ 'উপদেশ' ছেদটোৰ মূল বক্তব্য আলোচনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ "প্রথম ঘোষাখিনিত ভক্ত মাধৱদেৱতকৈ তত্ত্বদর্শী সুপণ্ডিত মাধৱদেৱজনহে ভুমুকি মাৰিছে।" — বিশ্লেষণ আগবঢ়াওক।

প্রশ্ন ২ ঃ আপোনাৰ পাঠ্যবিষয়ত অন্তর্ভুক্ত ঘোষাখিনিত নৱ-বৈষ্ণৱ ধর্মৰ আদর্শ কেনেদৰে প্রতিফলিত হৈছে বিচাৰ কৰক।

*** ***** ***